**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 16-09-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নতুন দিল্লীত আজি মাদক দ্ৰব্য বিৰোধী টাস্ক ফ'ৰ্চৰ ৰাজ্যিক আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুৰববীসকলৰ দ্বিতীয় ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব।

২। বিহাৰ, পশ্চিমবংগ আৰু অসমক অনুপ্ৰৱেশকাৰীৰ কবলৰ পৰা ৰক্ষা কৰিবলৈ এন ডি এৰ চৰকাৰ বদ্ধপৰিকৰ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰে।

৩। আন্তঃৰাষ্ট্ৰীয় আইনী পৰিমাপ বিজ্ঞান সংস্থাৰ আৰ্হি অনুমোদন প্ৰদা কৰা ভাৰত বিশ্বৰ ত্ৰয়োদশ দেশ হিচাপে পৰিগণিত হৈছে।

৪। নতুন দিল্লীত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰই আজিৰে পৰা মন কী বাত শীৰ্ষক এখন কলা প্ৰদৰ্শনীৰ আয়োজন কৰিছে। ***আৰু***

৫। যোৱা নিশা ডুবাইৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত শ্ৰীলংকাই হংকঙক ৪ উইকেটত পৰাস্ত কৰে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নতুন দিল্লীত আজি মাদকদ্ৰব্য বিৰোধী টাস্ক ফ'ৰ্চৰ ৰাজ্যিক আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুৰব্বীসকলৰ দ্বিতীয় ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব। এই সন্মিলনে ড্ৰাগছমুক্ত ভাৰতৰ প্ৰতি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ দায়বদ্ধতাক শক্তিশালী কৰাৰ লগতে এই লক্ষ্যত উপনীত হ'বলৈ ৰোডমেপ প্ৰস্তুত কৰাৰ কৌশলগত মঞ্চ হিচাপে কাম কৰিব। আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে, মাদকদ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰোৰ দ্বাৰা আয়োজিত এই সন্মিলনৰ বিষয়বস্তু হৈছে ইউনাইটেড ৰিজ'লভ, শ্বেয়াৰড ৰেচপন্সিবিলিটি।

ড্ৰাগছৰ বিৰুদ্ধে মোডী চৰকাৰে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰিছে । উল্লেখযোগ্য যে,এই দুদিনীয়া সন্মিলনত দেশত ড্ৰাগছৰ বিপদৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত সংশ্লিষ্ট সকলো অংশীদাৰে কৰা সামূহিক প্ৰচেষ্টাৰ বিস্তৃত পৰ্যালোচনা আৰু বিশ্লেষণ অনুষ্ঠিত হ'ব আৰু ভৱিষ্যতৰ ৰ'ডমেপ সম্পৰ্কে আলোচনা কৰা হ'ব। সন্মিলনৰ সময়ত নিচামুক্ত ভাৰত ২০৪৭, তদন্ত আৰু পৰীক্ষাত ফলপ্ৰসূতা বৃদ্ধিকে ধৰি আঠটা কাৰিকৰী অধিবেশন অনুষ্ঠিত হ'ব। এই সন্মিলনত ৩৬খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মাদকদ্ৰব্যবিৰোধী টাস্ক ফ'ৰ্চৰ মুৰব্বীসকলৰ উপৰিও অন্যান্য চৰকাৰী বিভাগৰ অংশীদাৰসকলেও অংশগ্ৰহণ কৰিব। এই উপলক্ষে গৃহমন্ত্ৰীয়ে মাদকদ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰোৰ বাৰ্ষিক প্ৰতিবেদন- ২০২৪ প্ৰকাশ কৰাৰ লগতে

অনলাইন ড্ৰাগছ নিষ্কাশন অভিযান আৰম্ভ কৰিব। উল্লেখযোগ্য যে ২০২৩ চনৰ এপ্ৰিল মাহত মাদকদ্ৰব্য বিৰোধী টাস্ক ফৰ্চৰ প্ৰথম ৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হৈছিল।

০০০০০

বিহাৰ, পশ্চিমবংগ আৰু অসমক অনুপ্ৰৱেশকাৰীৰ কবলৰ পৰা ৰক্ষা কৰিবলৈ এন ডি এৰ চৰকাৰ বদ্ধপৰিকৰ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰে। বিহাৰৰ পুৰ্ণীয়াত অনুষ্ঠিত এখন জনসভাত ভাষণ দি শ্ৰীমোদীয়ে কালি এইদৰে কয়।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী মোদীয়ে কালি বিহাৰৰ পুৰ্ণীয়া জিলাৰ পৰা ৪০ হাজাৰ কোটি টকাৰো অধিক ব্যয়েৰে ৰাজ্যখনৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। পুৰ্ণীয়া জিলাৰ গোলাপবাগত আয়োজিত এখন ৰাজহুৱা সভাত ভাষণ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে বিহাৰৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মান সহজ কৰাৰ বাবে দ্বৈত ইঞ্জিন চৰকাৰে একেৰাহে কাম কৰি আছে। প্ৰধানমন্ত্ৰী মোদীয়ে নতুনকৈ নিৰ্মাণ কৰা পুৰ্ণিয়া বিমানবন্দৰটো মুকলি কৰে। এই বিমান বন্দৰটোৰ পৰা ঘৰুৱা বিমান সেৱা আৰম্ভ হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে সামগ্ৰী আৰু সেৱাকৰ অধিক হ্ৰাস কৰিছে আৰু অহা নৱৰাত্ৰীৰ পৰা ই কাৰ্যকৰী হ'ব। ইয়াৰ ফলত জনসাধাৰণৰ দৈনন্দিন ব্যৱহৃত সামগ্ৰী তথা খাদ্য সামগ্ৰীৰ মূল্য হ্ৰাস পাব।

০০০০০

আন্তঃৰাষ্ট্ৰীয় আইনী পৰিমাপ বিজ্ঞান সংস্থাৰ আৰ্হি অনুমোদন প্ৰদা কৰা ভাৰত বিশ্বৰ ত্ৰয়োদশ দেশ হিচাপে পৰিগণিত হৈছে।

০০০০০

এইবেলি স্বাধীনতা দিৱসত লালকিল্লাৰ প্ৰাচীৰৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জি এছ টি সংস্কাৰৰ কথা ঘোষণা কৰিছিল । চলিত মাহৰ ৩ তাৰিখে জি এছ টি পৰিষদে বহু খণ্ডত কৰ হ্ৰাস কৰি নাগৰিকৰ জীৱন সহজ কৰি তোলাৰ লগে লগে প্ৰধানমন্ত্ৰীগৰাকীৰ এই দৃষ্টিভংগী বাস্তৱায়িত হয়। এই সংস্কাৰৰ অধীনত চৰকাৰে কৃষিখণ্ডত জি এছ টি হ্ৰাস কৰি কৃষকসকলক সকাহ দিছে । এই সংস্কাৰ অনুসৰি, ১৮০০ CC ৰ তলৰ ট্ৰেক্টৰৰ কৰৰ পৰিমাণ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হ'ব। টায়াৰ আৰু টিউব, হাইড্ৰলিক পাম্প আদিকে ধৰি ট্ৰেক্টৰৰ উপাদানসমূহ ১৮ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হ'ব। খেতি কৰা,শস্য চপোৱা, মৰণা মৰা আদিৰ বাবে ব্যৱহাৰ কৰা বিভিন্ন যন্ত্ৰৰ সমান্তৰালভাৱে জৈৱ কীটনাশক, micro nutrients, drip irrigation, sprinkler আদিত থকা কৰৰ হাৰ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কয় যে শ্ৰম ভিত্তিক উদ্যোগসমূক শক্তিশালী সমৰ্থন আগবঢ়োৱা হৈছে যাৰ ফলত কৃষক আৰু কৃষি খণ্ড উপকৃত হ'ব। এই পৰিৱৰ্তনে বিশেষকৈ ক্ষুদ্ৰ আৰু মজলীয়া কৃষকক উপকৃত কৰিব।

০০০০০

সেৱা আৰু সুশাসনৰ দ্বাৰা পৰিচালিত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধীনত চৰকাৰে দেশত পৰিৱৰ্তন আৰু প্ৰগতিৰ বাবে অক্লান্তভাৱে কাম কৰি আহিছে। আজিৰ এই প্ৰতিবেদনত পুনৰ নৱীকৰণযোগ্য আৰু স্বচ্ছ শক্তিৰ জৰিয়তে কেনেদৰে পৰিৱৰ্তন সাধন হৈছে সেই বিষয়ে আলোচনা কৰিছো—

যোৱা কেইবাটাও দশক ভাৰতৰ শক্তি খণ্ডৰ যাত্ৰাই উল্লেখনীয় পৰিৱৰ্তনৰ সাক্ষী হৈছে। সৌৰ শক্তি আৰু বায়ু, উদ্ভাৱনী ক্ৰিয়াকলাপৰ বিকাশ আৰু গোলকীয় নেতৃত্বৰ জৰিয়তে ভাৰত স্বচ্ছ আৰু আত্মনিৰ্ভৰ শক্তিৰ দিশে অগ্ৰসৰ হৈছে। স্বচ্ছ শক্তিয়ে কেৱল কাৰ্বন নিৰ্গমন হ্ৰাস কৰাই নহয় বৰং সেউজ ক্ৰিয়াকলাপ, শক্তি খণ্ডৰ উন্নয়ন বৃদ্ধি আৰু গোলকীয় জলবায়ুৰ নেতৃত্বৰ ক্ষেত্ৰত ভাৰতৰ ভূমিকা শক্তিশালী কৰি তুলিছে। বিগত মাহত গুজৰাটৰ হাঞ্চলপুৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সেউজ শক্তি পদক্ষেপ মুকলি কৰি কয়, যে স্বচ্ছ শক্তিয়ে গোলকীয় ক্ষেত্ৰত ভাৰতৰ ভৱিষ্যৎ দিশ নিৰ্ণয় কৰিব।

ooooo

নতুন দিল্লীত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰই আজিৰে পৰা **মন কী বাত** শীৰ্ষক এখন কলা প্ৰদৰ্শনীৰ আয়োজন কৰিছে। এই প্ৰদৰ্শনীখনত প্ৰখ্যাত শিল্পী মনজিৎ সিঙে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আকাশবাণীযোগে প্ৰচাৰ কৰা মন কী বাত অনুষ্ঠানৰ অনুপ্ৰেৰণাত এখন চিত্ৰ শৃংখলা প্ৰদৰ্শন কৰিব। অধ্যাপিকা ৰীচা কাম্বজৰ তত্বাৱধানত অনুষ্ঠিত এই প্ৰদৰ্শনী কাইলৈৰ পৰা ২২ ছেপ্তেম্বৰলৈ জনসাধাৰণৰ বাবে মুকলি থাকিব।

ooooo

কেন্দ্ৰীয় অনুসন্ধান সংস্থা- চি বি আইয়ে জনজাতি কল্যাণ পৰিষদৰ কেলেংকাৰিৰ সন্দৰ্ভত কৰ্ণাটক আৰু অন্ধ্ৰপ্ৰদেশৰ ১৬টা বিভিন্ন স্থানত তালাচী অভিযান চলায়। উল্লেখযোগ্য যে এই কেলেংকাৰিৰ সৈতে জড়িত থকাৰ অভিযোগত কৰ্ণাটকৰ প্ৰাক্তন মন্ত্ৰী বি নগেন্দ্ৰ জে'ললৈ গৈছিল। চি বি আইৰ এটা সূত্ৰ মতে কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰীৰ আত্মীয় এই কেলেংকাৰিৰ জৰিয়তে চৰকাৰী ধন আত্মসাৎ কৰিছিল। ইউনিয়ন বেংক অৱ ইণ্ডিয়াৰ ডিজিএমৰ এটা লিখিত অভিযোগৰ ভিত্তিত যোৱা বছৰৰ জুন মাহত চি বি আইয়ে কেলেংকাৰি সন্দৰ্ভত এটা গোচৰ ৰুজু কৰিছিল। এই অভিযোগ অনুসৰি অভিযুক্তই বেংগালুৰুৰ ইউনিয়ন বেংক অৱ ইণ্ডিয়াৰ একাউণ্টত জমা থকা কৰ্ণাটকৰ মহৰ্ষি বাল্মিকী অনুসূচীত জনজাতি উন্নয়ন নিগম লিমিটেডৰ ৮৪ কোটি ৬৩ লাখ টকা প্ৰবঞ্চনা আৰু জালিয়াতিৰে সৰকাই নিছিল।

ooooo

অটোমোবাইল বজাৰৰ ক্ষেত্ৰখনত ভাৰতে-জাপানক পিছপেলাই  বিশ্বৰ ভিতৰত তৃতীয় শ্ৰেষ্ঠ দেশ হিচাপে পৰিগণিত হৈছে। সমাগত ৫ বছৰত অটোমোবাইল বজাৰৰ ক্ষেত্ৰখনত দেশে শীৰ্ষ স্থান দখল কৰাৰ দিশত অগ্ৰসৰ হৈছে। নতুন দিল্লীত কালি **আন্তঃৰাষ্ট্ৰীয় মূল্য সন্মিলন ২০২৫**ত উদ্বোধন কৰি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নিতিন গাডকাৰীয়ে এইদৰে কয়। সেউজ গতিশীলতা আৰু আন্তঃগাঁথনি উন্নয়নৰ দিশতো ভাৰতে উল্লেখযোগ্য স্থান লাভ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে দেশত বিশ্বৰ ভিতৰতে দ্বিতীয় বৃহৎ পথ নেটৱৰ্ক ব্যৱস্থা আছে। ভাৰতে আইচ' বিউটানল আৰু বায়' বিটুমেনৰ দৰে নতুন ইন্ধনৰ ক্ষেত্ৰতো অগ্ৰগতি লাভ কৰিছে। এই সন্মিলনত বিশেষজ্ঞসকলক একত্ৰিত কৰি দক্ষতা, বহনক্ষমতা আৰু অৰ্থনৈতিক দিশসমূহ উন্নত কৰাৰ বাবে আলোচনা কৰা হ'ব।

ooooo

ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ ৬২ হাজাৰতকৈও অধিক ৰাজহুৱা ওজৰ আপত্তি তথা অভিযোগ বিগত মাহত সমাধান কৰা হৈছে। প্ৰশাসনিক সংস্কাৰ আৰু ৰাজহুৱা ওজৰ আপত্তি নিষ্পত্তি

বিভাগে প্ৰকাশ কৰা ৩৭ সংখ্যক মাহেকীয়া প্ৰতিবেদনত এই তথ্য প্ৰকাশ পাইছে। প্ৰতিবেদনত ৰাজহুৱা অভিযোগ নিষ্পত্তি আৰু নিৰীক্ষণ ব্যৱস্থাৰ জৰিয়তে লাভ কৰা অভিযোগ সন্দৰ্ভত আলোকপাত কৰা হৈছে। আগষ্ট মাহলৈকে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ প্ৰায় ৭৭ হাজাৰ ৰাজহুৱা অভিযোগ পঞ্জীয়নভুক্ত হৈছিল। উল্লেখযোগ্য যে বিগত মাহত ৮৯ হাজাৰ ৫০০ তকৈও অধিক নতুন ব্যৱহাৰকাৰীয়ে বিভিন্ন মাধ্যমৰ জৰিয়তে অভিযোগ পঞ্জীয়ন কৰিছে। প্ৰতিবেদনখনত অভিযোগৰ ধৰণ, শ্ৰেণী আৰু নিষ্পত্তিৰ বিষয়ে বিশ্লেষণ কৰা হৈছে। অভিযোগসমূহ নিষ্পত্তিৰ বাবে ৩ হাজাৰ ৬২২গৰাকী বিষয়াক প্ৰশিক্ষণ দিয়াৰ লগতে মুঠ ৯১৭ টা প্ৰশিক্ষণ পাঠ্যক্ৰম অনুষ্ঠিত হৈছিল।

ooooo

যোৱা নিশা ডুবাইৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত শ্ৰীলংকাই হংকঙক ৪ উইকেটত পৰাস্ত কৰে। বিজয়ৰ বাবে হংকঙে বান্ধি দিয়া ১৫০ ৰানৰ লক্ষ্যৰ প্ৰত্যুত্তৰত শ্ৰীলংকাই ১৫৩ ৰান সংগ্ৰহ কৰে। শ্ৰীলংকাৰ হৈ পাথুম নিছাংকাই ৬৮ ৰান সংগ্ৰহ কৰি প্লেয়াৰ অৱ মেচ সন্মান লাভ কৰে। শ্ৰীলংকাই টছত জয়ী হৈ প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। হংকঙে নিৰ্ধাৰিত ২০ অভাৰত ১৪৯ ৰান সংগ্ৰহ কৰে।

আবু ধাবিৰ জায়েদ ক্ৰিকেট ষ্টেডিয়ামত যোৱা নিশা অনুষ্ঠিত গ্ৰুপ-এৰ আন এখন খেলত আৰৱ আমিৰি ৰাষ্ট্ৰ-ইউ এ ইয়ে ওমানক ৪২ ৰানত পৰাজিত কৰে। প্ৰথমে বেটিং কৰি ইউ এ ইয়ে নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১৭২ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে ওমানে আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১৩০ ৰান কৰে।

আজি নিশা ৮ বজাত আবু ধাবিত হ'বলগীয়া এখন খেলত বাংলাদেশ আফগানিস্তাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত